GOVERNMENT OF ASSAM
TRANSPORT DEPARTMENT
BLOCK D, 4TH FLOOR, JANATA BHAWAN,
DISPUR-06::GUWAHATI-06

Email ID: ***transport-department@assam.gov.in.***

---

No. E-816739/10 Date: 22-07-2026

From : The Joint Secretary to the Govt. of Assam,
Transport Department, Dispur-06.

To : The Secretary
Assam Legislative Assembly, Dispur

Sub : Submission of reply to the Original Unstarred Assembly Question No.534 to be asked by Hon'ble MLA, Dr. Ashif Md. Nazar-regd.

Sir,

With reference to the subject cited above, I am directed to enclose herewith 150 nos. of cyclostyled numbers of Reply to the Original Unstarred Assembly Question No. 534 to be asked by Hon'ble MLA, Dr. Ashif Md. Nazar, for your kind information and necessary action.

The aforesaid Reply has been uploaded in the website http://cms.neva.gov.in/.

Yours faithfully,

Digitally signed by
RUPASREE BHATTACHARJEE
Date: 22-07-2026 14:52:41

Enclo: As stated above.

Joint Secretary to the Govt. of Assam,
Transport, Department

Memo No. E-816739/10-A Date: 22-07-2026
Copy to:-

1. P.A. to the Commissioner & Secretary to the Govt. of Assam, Transport Department, for kind information of the Commissioner & Secretary.

By orders etc.,
**e-signed**
Joint Secretary to the Govt. of Assam,
Transport Department

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং - ৫৩৪

উত্তৰ দিয়াৰ তাৰিখ : – ২৪ -০৭-২০২৬

*বিষয়* ঃ **'মেৰিন ইঞ্জিনযুক্ত সুৰক্ষিত নাওঁ'** বিধায়ক ঃ ডাঃ আচিফ মঃ নাজাৰ ঃ

**প্ৰশ্ন**

মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লাহৰীঘাট সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰঘাট সমূহত (বিশেষকৈ চৰ-অঞ্চল সংযোগী ঘাটবোৰত) যাত্ৰীসকলৰ নিৰাপদ যাতায়ত নিশ্চিত কৰিবলৈ পুৰণি ভূটভূটি নাঁওৰ সলনি পৰ্য্যান্ত পৰিমাণৰ চৰকাৰী 'মেৰিন ইঞ্জিনযুক্ত সুৰক্ষিত নাঁও' বা 'ই ফেৰী' সেৱা মুকলি কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি ?

(খ) লাহৰীঘাটৰ পৰা মৰিগাঁও সদৰ আৰু গুৱাহাটী মহানগৰীলৈ সমষ্টিটোৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ সুবিধাৰ্থে অসম ৰাজ্যিক পৰিবহন নিগম (ASTC)ৰ নতুন বাছ সেৱা আৰম্ভ কৰাৰ বাবে চৰকাৰে কি পৰিকল্পনা হাতত লৈছে ?

**উত্তৰ**

মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত চৰন বড়োদেৱে উত্তৰ দিব :

(ক) অসম চৰকাৰে "জীৱন ডিঙা (Jiban Dinga)" আঁচনিৰ জৰিয়তে অসমৰ ৮৫০ জন নাওঁৰীয়াক বিনামূলীয়াকৈ মেৰাইন ইঞ্জিন যোগান ধৰিছিল আৰু উক্ত আঁচনিৰ জৰিয়তে এই সকলোবোৰ নাওঁৰীয়াক যাত্ৰী পাৰাপাৰ কৰিবলৈ লাইফবয় আৰু লাইফ জেকেটও যোগান ধৰিছিল। লাহৰীঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ দুটাকৈ পাৰঘাট আছে। (১) ভূৰাগাঁৱৰ পৰা বদুলীচৰ, (২) চুতীয়াগাওঁৰ পৰা ডিম্বুৰচৰ । বৰ্তমান উক্ত পাৰঘাটত লাইফবয়, লাইফ জেকেট আদি প্ৰত্যেক খন নাওঁত ব্যৱহাৰ কৰি যাত্ৰী পাৰাপাৰ কৰি থকা হৈছে |

বৰ্তমান উক্ত ফেৰীঘাটত চলি থকা নাওঁসমূহ:-

1. S.B. FARUK
   পঞ্জীয়ন নং: AIWTRA/GC/650
2. S.B. MAA
   পঞ্জীয়ন নং: AIWTRA/GC/323
3. S.B. NUR
   পঞ্জীয়ন নং: AIWTRA/GC/578

4. S.B. MINAJUL
   পঞ্জীয়ন নং: AIWTRA/GC/423

(খ) লাহৰীঘাটৰ পৰা মৰিগাঁও সদৰ আৰু গুৱাহাটী মহানগৰীলৈ ৰাইজৰ সেৱাৰ্থে বৰ্তমান অসম ৰাজ্যিক পৰিবহণ নিগমৰ ১(এখন) ডিজেল চালিত যাত্ৰীবাহী বাছ নিয়মীয়াকৈ চলাচল কৰি আছে।

ভৱিষ্যতে, অসম ৰাজ্যিক পৰিবহণ নিগমত নতুন বাছ (বৈদ্যুতিক, চি.এন.জি. অথবা ডিজেলচালিত) সংযোজিত হলে তথা ইয়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু আনুষংগিক সুবিধাসমূহ যেনে চাৰ্জিং ষ্টেচন, ডিপো, পাৰ্কিং আদি গঢ় লৈ উঠিলে, অসম ৰাজ্যিক পৰিবহণ নিগমে যাত্ৰীৰ চাহিদা, পথৰ উপযোগিতা আৰু পৰিচালনাগত সম্ভাব্যতা বিৱেচনা কৰি লাহৰীঘাট অঞ্চলত বাছ সেৱা সম্প্ৰসাৰণৰ বিষয়টো অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰিব।

*************************

(উক্ত প্ৰশ্নোত্তৰ অসম বিধান সভাৰ website https://cms.neva.gov.in/ ত উপলব্ধ কৰা হৈছে)